# ছন্দসজ্জা (২)

## অমিতাক্ষৰ আৰু মুক্তক

যৌগিক ৰীতিৰ ধ্বনি বিন্যাসৰ ক্ষেত্ৰত তাৰ প্ৰবাহধৰ্মিতাৰ কথা উল্লেখিত হৈছে। তাত কেৱল চৰণ অভ্যন্তৰস্থ ধ্বনি প্ৰবাহৰেই ইংগিত কৰা হৈছিল। কিন্তু ভাবৰ অনুগামী হৈ ধ্বনি প্ৰবাহে চৰণৰ যতিৰ সীমাও অতিক্ৰম কৰি যায়। এনেদৰে চৰণান্তিক যতিৰ অতিক্ৰমণ সম্ভৱপৰ হোৱা ছন্দসজ্জাৰ নাম অমিতাক্ষৰ বা অমিত্ৰাক্ষৰ। এই ছন্দসজ্জাৰ চাৰিত্ৰিক বৈশিষ্ট্যবোৰ ইয়াত আলোচনা কৰা হ'ল।

আমাৰ সৰহখিনি কবিতাত দেখা যায় যে যতি আৰু ছেদৰ (ছন্দোযতি আৰু ভাবযতিৰ) অৱস্থান একে। প্ৰত্যেকটো পৰ্ব একোটা ভাব খণ্ডৰ পূৰ্ণৰূপ আৰু প্ৰত্যেক চৰণেই ভাবৰ ফালৰপৰা প্ৰায় পূৰ্ণাংগ। অৰ্থাৎ ছন্দপ্ৰবাহ য'তেই ৰয় তাতেই ভাৱৰো সমাপ্তি ঘটে। একাধিক চৰণ সংযুক্ত স্তৱকৰ সমাপ্তিৰে মোজেইকৰ দৰেই কবিতাটিৰ ভাব সম্পূৰ্ণৰূপে ৰূপায়িত হয়। তেনে কবিতাত ছন্দৰ বন্ধনে ভাবৰ প্ৰবাহো সীমিত কৰি ৰাখে। কিন্তু কবিৰ ভাবাবেগ যেতিয়া তীব্ৰতৰ হৈ উঠে, তেতিয়া চৰণৰ অন্তই তাক ৰোধ কৰিব নোৱাৰে। এটা চৰণৰপৰা ভাববাহী ধ্বনিপ্ৰবাহ আনটো চৰণলৈ বাগৰি যায়। ধ্বনি প্ৰবাহৰ অতিক্ৰমণকেই প্ৰৱহমানতা (enjambment) বোলা হয়। এই প্ৰৱহমানতা হ'ল ছন্দক স্বীকাৰ কৰি ছন্দোবদ্ধৰপৰা মুক্তিৰ আকাংক্ষা। প্ৰৱহমানতাত পৰ্বান্তিক যতি ব্যাহত হয় কিন্তু লয়ে আশ্ৰয় লয় ছেদৰ। অমিতাক্ষৰ ছন্দৰ প্ৰধান আশ্ৰয় হ'ল এই প্ৰৱহমানতা।

বহুতৰে ধাৰণা যে মিত্ৰাক্ষৰ বৰ্জনেই অমিতাক্ষৰ ছন্দৰ ঘাই চৰিত্ৰ। কাৰণ অমিতাক্ষৰ ছন্দসজ্জাত প্ৰায়েই মিলৰ ব্যৱহাৰ দেখা নাযায়। কিন্তু মিল থাকিলেই যদি অমিতাক্ষৰ হ'লহেঁতেন, তেতিয়াহ'লে জয়দেৱৰ আগৰ সকলো সংস্কৃত ছন্দই দেখোন অমিতাক্ষৰ হ'লহেঁতেন। গতিকেই যি ছন্দসজ্জাই ভাবৰ প্ৰবাহক অক্ষুণ্ণ ৰাখি যতিক ছেদৰ অনুগামী কৰি লয়, সেই ছন্দসজ্জাহে প্ৰকৃত অমিতাক্ষৰ ছন্দসজ্জা আৰু 'অমিতাক্ষৰ' শব্দৰ ব্যৱহাৰ বৰ স্পষ্ট নহয়।

ৰাত্ৰিছৰ ছয় বিনে* । আৰু যত প্ৰাণী ।।
জগতে ৰজনীযোগে । সুখদ বিশ্ৰাম ।।
লভিছে শয়নে শুই । নিদ্ৰা পৰিহৰি ।।

—ভোলানাথ দাস

অর্থৰ ফালে আওকাণ কৰি যদি ছন্দ বিশ্লেষ কৰা হয় তেতিয়াহ'লে এই উদ্ধৃতিৰ প্ৰত্যেক চৰণতে ১৪ মাত্ৰাকৈ পোৱা যায় আৰু যতি বিভাগো পয়াৰৰেই অনুক্ৰমে। সেই ফালৰপৰা ই মিলনহীন পয়াৰ। সেইবাবেই আগতে মিলিতান্ত অমিলিতান্ত আদি ভাগ কৰা হৈছিল। কিন্তু উদ্ধৃতিটোৰ প্ৰথম, দ্বিতীয়— দুই চৰণৰ অন্তিম যতি যদি অতিক্ৰম কৰা নাযায় তেতিয়াহ'লে কবিতাটিৰ অৰ্থ পৰিস্ফুট নহয়। সেইদৰেই যদি দ্বিতীয় চৰণৰ 'জগতে' শব্দৰ পিছৰ ছেদটো উপেক্ষা কৰা হয় তেতিয়াও কবিতাৰ অৰ্থ অস্পষ্ট হয়। অৰ্থ বৰ্জিত doggeral-এ কবিতাৰ মৰ্যাদা কেতিয়াও পাব নোৱাৰে। গতিকেই ছেদৰ অনুসৰণত ঘটা প্ৰৱহমানতাই হে অমিতাক্ষৰ ছন্দসজ্জাৰ চাৰিত্ৰিক বৈশিষ্ট্য; মিত্ৰাক্ষৰ বৰ্জন নহয়। মিত্ৰাক্ষৰ গ্ৰহণ কৰিও অমিতাক্ষৰ ছন্দৰ ৰচনা হয়। ৰবীন্দ্ৰনাথৰ সৰহখিনি অমিতাক্ষৰ মিল যুক্ত। গতিকেই দেখা গ'ল যে প্ৰৱহমানতাৰ আশ্ৰয় নহ'লে অমিতাক্ষৰ ছন্দ সৃষ্টি হ'ব নোৱাৰে; আৰু যৌগিকৰ বাহিৰে আন ৰীতিত প্ৰৱহমানতা নাই। গতিকেই অমিতাক্ষৰ ছন্দ একমাত্ৰ যৌগিক ৰীতিতেই হে সম্ভৱ। অন্যান্য ছন্দ ৰীতিত যতি অতিক্ৰমণৰ অৰ্থই হ'ল ছন্দ পতন; কাৰণ যতি আৰু ছেদৰ পৃথক অৱস্থানে তাত ছন্দ আৰু অৰ্থ দুয়োৰে অনিষ্ট সাধে। যৌগিক ৰীতিৰ সৈতে আমাৰ সাধাৰণ কথা-বতৰাৰ উচ্চাৰণ ৰীতিৰ গভীৰ সামঞ্জস্যৰ বাবেই ছেদৰ সহায়েৰেও তাত ছন্দ সুষমা অনুভূত হয়। যতি বৰ্জিত স্থানত ছেদৰ অৱস্থিতিয়ে ছন্দ পতন নঘটায় বৰং তাত বাকভংগীৰ এটা সুসমতাহে সংযুক্ত কৰে। তলৰ উদ্ধৃতিটোত অমিতাক্ষৰ ছন্দৰ ছেদ (অৰ্থগত) আৰু যতিৰ (ছন্দজাত) বিৰতিৰ নিৰ্দেশ কৰা হ'ল ঃ

নিস্তব্ধ বাসব সভা** । সভাতলে আজি ।।
বসিছে ত্ৰিদিব বাসী । ত্ৰিদিবেশ সহ* ।।
বিমৰ্ষে নীৰৱ হুয়া** । নাহি বাক্য মুখে* ।।
কাষ্ঠ পুত্তলিকা গণ । বাক্য হীন যথা** ।।
উল্লাস আনন্দ নৃত্য* । গীত বাদ্য ধ্বনি ।।
বিৰাজিত যেহিস্থলে* । মহোৎসৱে যেন ।।
অবিৰল* আজি হায় । বিৰহ সি গৃহ** ।।
নাই নৃত্য নৃত্যস্থলে* । মেনকা উৰ্ব্বশী ।।
মিশ্ৰকেশী চিত্ৰলেখা । ৰম্ভা তিলোত্তমা* ।।
নিৰুপমা মনোৰমা । বিদ্যাধৰী দল ।।
নাই সভাগৃহে* নৃত্য । কৰিবেক কোনে** ।।

ইয়াত যতিক উপেক্ষা কৰি কেৱল ছেদৰ অৱলম্বনতেই আবৃত্তি সম্ভৱপৰ। আনকি অৰ্থ বা ভাব সংগতিৰ ফালৰপৰা ছেদেই হে এই ছন্দসজ্জাৰ আবৃত্তিৰ একমাত্ৰ উপায়। আনকি ইয়াৰ পৰ্ব বিভাগো ছেদ অনুযায়ী কৰিব পাৰি। আমাৰ নাটকবোৰত আৰু আজি-কালিৰ বহুতো কবিতাত অমিতাক্ষৰৰ ছিন্ন ৰূপ এটা পৰিলক্ষিত হয়; তাত প্ৰত্যেক চৰণৰ দৈৰ্ঘ্য মাত্ৰা পোৱা নাযায় আৰু ছেদেই দৰাচলতে যতিৰ কাম কৰে। কাৰণ অমিতাক্ষৰ বা ছিন্ন অমিতাক্ষৰ সকলো ছেদেই দৰাচলতে যতিৰ কাম কৰে। কাৰণ অমিতাক্ষৰ বা ছিন্ন অমিতাক্ষৰ সকলো ছেদ বিভাগ পয়াৰ ধৰ্মী। অৰ্থাৎ চাৰি, আঠ আৰু ছয় মাত্ৰাৰ একোটা পৰ্ব। অমিতাক্ষৰ ছেদ বিভাগৰ উপৰিও যতি বিভাগ নিয়ন্ত্ৰিত। ৮+৬=১৪ মাত্ৰাৰ একোটি চৰণ। কিন্তু ছিন্ন অমিতাক্ষৰত যতিৰ এনে নিয়ন্ত্ৰণ নাই, তাত চৰণৰ পৰিমাপ অসমান।

| | |
|---|---|
| জালত পৰিলে বাঘ* | =৮ |
| কোনে কৰে যুক্তিৰ বিচাৰ** | ৪+৬ =১০ |
| অধম ৰাক্ষস* | ৬ =৬ |
| পৰিত্ৰাণ নাই আজি তোৰ | ৪+৬ =১০ |

—চন্দ্ৰধৰ বৰুৱা

ছেদ আৰু যতিৰ এনে ভিন্ন ব্যৱহাৰে এটা কথাই মাত্ৰ সূচায় যে এই যুগত ছন্দৰ ন্যূনতম বান্ধোনৰ বাহিৰে অন্য বন্ধন কবিয়ে স্বীকাৰ কৰিব নোখোজে। ছেদৰ বিৰতিৰ অৰ্থই হ'ল ভাব অনুসৰি যতি স্থাপন। ছন্দই যাতে ভাব প্ৰবাহ ক্ষুণ্ণ কৰিব নোৱাৰে তাৰ প্ৰতি এতিয়াৰ কবি সজাগ। প্ৰথম হ'ল মিলন বান্ধোন ত্যাগ, তাৰ পিছত হ'ল চৰণ সাম্যৰ সূত্ৰ অস্বীকাৰ। স্বৰূপতেই মুক্তিৰ যাত্ৰা— যি যাত্ৰাত প্ৰবাহ হে মুখ্য, ছন্দৰ বন্ধন গৌণ। ভাবৰ অনুসৰণত বিৰতিয়ে যি স্পন্দনৰ সৃষ্টি কৰে তাৰেই সন্ধান চলে এতিয়াৰ মুক্তক ছন্দত। অমিতাক্ষৰ ছন্দ এই ক্ষেত্ৰত মুক্তক ছন্দৰ ধৰ্মগুৰু।

মুক্তক ছন্দ কথাটো ভ্ৰমাত্মক! দৰাচলতে মুক্তক কোনো ছন্দৰীতিৰ নাম নহয়। ছন্দসজ্জাৰহে নাম। অমিতাক্ষৰ ছন্দৰ দৰেই ইও স্তবক-বন্ধনহীন ছন্দসজ্জা। প্ৰৱহমানতাৰ কথা আগতে উল্লেখ কৰা হৈছে আৰু সেই প্ৰৱহমানতাকে আশ্ৰয় কৰি, ছেদৰ অৱলম্বনত কেনেকৈ অমিতাক্ষৰ ছন্দসজ্জাৰ জন্ম সম্ভৱ হ'ল তাৰো আভাস দিয়া হৈছে। অমিতাক্ষৰ ছন্দ যৌগিক ৰীতিৰ আশ্ৰয়তেই সৃষ্টি হয় আৰু তাৰেই অ-সম চৰণৰ ব্যৱহাৰে যি ছিন্ন অমিতাক্ষৰ ছন্দসজ্জাৰ জন্ম দিলে সিয়েই মুক্তক ছন্দৰ আদি ৰূপ। ছিন্ন অমিতাক্ষৰে কেৱলমাত্ৰ যৌগিক ছন্দৰীতিতেই পৰ্ব সংস্থাপন আৰু চৰণ বিন্যাসৰ স্বাধীনতা দিলে। কিন্তু মাত্ৰাবৃত্ত স্বৰবৃত্ত ছন্দত এনে আপাতঃ শিথিল বিন্যাস সম্ভৱপৰ কৰি তুলিলে মুক্তকে। প্ৰকৃতপক্ষে ছিন্ন অমিতাক্ষৰৰ লগত যৌগিক মুক্তকৰ কোনো মৌলিক

পাৰ্থক্য নাই। মুক্তিৰ পৰিমাণহে পাৰ্থক্য। মুক্তক বুলিলেই পৰিমিতবিহীন ধ্বনি বিন্যাস নহয়। মুক্তকো ছন্দইহে। ছন্দ অৰ্থাৎ বৃত্তৰ সকলো লক্ষণ ইয়াত বিদ্যমান। প্ৰথম কথা পৰ্যায়ক্ৰমে ধ্বনি বিন্যাসৰ লয় ইয়াত বৰ্জিত নহয়— অৰ্থাৎ ই পদ্য হে গদ্য নহয়। কিন্তু ছন্দসজ্জাৰ অন্যান্য উপকৰণৰ ক্ষেত্ৰত ই স্বাধীন। ছিন্ন অমিতাক্ষৰৰ দৰেই ইয়াৰো চৰণসমূহ অসমান। অন্যান্য ছন্দসজ্জাতো অসমান চৰণৰ উদাহৰণ পোৱা যায় কিন্তু তাত স্তৱক বিন্যাসে ছন্দোবন্ধৰ সূচনা কৰে। ইয়াত স্তৱক বিন্যাসৰ প্ৰয়োজন নাই। ভাবৰ আবেগে ধ্বনি প্ৰবাহ চলাই নি থাকিব। গতিকেই ইয়াৰ চৰণবোৰ অসমান।

আনবোৰ কবিতাত পৰ্ব সাম্য পৰিলক্ষিত হয়। পৰ্যায়ক্ৰমে সমান মাত্ৰা পৰিমাণৰ পৰ্ব সন্নিবিষ্ট কৰা হয়। মুক্তকত পৰ্বসমূহৰো তেনে সাম্যৰ প্ৰয়োজন নহয়। হ্ৰস্ব, দীৰ্ঘ পৰ্বৰ লয় মুক্ত সমাবেশ কৰা হয়।

| | ॥ ॥ ॥ | | ॥
জীৱনৰ । জলছবি খনে ॥*

| | | | | | | | | | ॥
যোৱাটোকে । সঁচা বুলি ব'লে **

| | | | |
এৰা বন্ধু ।

॥ | | ॥
খুব সঁচা** ॥

—হৰি বৰকাকতি

অথবা

॥ ॥ | | ॥ ॥ | | | | | | ॥ | ॥ | ॥
ৰাতিৰ বুকুত হায়। *জাগে নেকি। *কোনো এক। নাৰীৰ হৃদয়**

| | ॥ | | ॥ | | | | ॥ |
স্ফীতোদৰা কোনো এক। প্ৰগলভা নাৰীৰ।

॥ |.| | | | ॥
আসঙ্গ কামনা* ॥

—হোমেন বৰগোহাঞি

সাধাৰণ ৰীতিৰ কবিতাত চৰণ আৰু পংক্তি প্ৰায় সমাৰ্থকেই অথবা এটা চৰণকে দুটা পংক্তিত ভগাই লেখা হয়। মুক্তক ছন্দ এই যুগৰ ছন্দ। গতিকে ইয়াৰ পংক্তি সজ্জাতো কবিৰ মুক্ত ৰুচিৰ সাক্ষাৎ পোৱা যায়। ভাবাবেগৰ হেতুকে ইয়াৰ একোটা পংক্তিত একাধিক চৰণতো সমাবেশ হয়।

ইয়াত যি উদাহৰণ দিয়া হ'ল সি যৌগিক ৰীতিৰ মুক্তক। তাৰ চৰিত্ৰ ছিন্ন অমিতাক্ষৰৰ সৈতে একে। কিন্তু মুক্তকৰ মুক্তিৰ স্পৰ্শ অন্যান্য ছন্দসজ্জাতো সম্ভৱ। মাত্ৰাবৃত্ত ৰীতিৰ মুক্তকৰ উদাহৰণ ঃ

॥ ॥ ॥ । ।॥ । ॥ । ॥ ॥ ।
দুপৰৰ এই । মৃত্যু নীৰৱ । বীভৎসতা

॥ ॥ ॥ ॥ ॥ । । ॥
প্ৰাণ গঙ্গাৰ । বন্দৰ ভগীৰথ

॥ ॥ । । । । ॥ । । । । ॥ । ॥ । । ॥
বক্‌চাৰ আৰু । পলাচীৰ আৰু । ইয়াণ্ডাবুৰ । ইতিহাস

। ॥ । ॥ । । ॥ । ॥ । । ।
জগৎ শেঠৰ । ক্ৰেণৰ চকাত । ঘূৰে

পৰ্ব বিন্যাসৰ ক্ষেত্ৰত দেখা যাব যে ভাবক আশ্ৰয় কৰিয়েইহে ইয়াত যতি নিৰ্দিষ্ট অৰ্থাৎ ই ছেদাশ্ৰয়ী যতি।

স্বৰবৃত্ত ছন্দৰীতি তৰল প্ৰকৃতিৰ আৰু সাধাৰণ উচ্চাৰণ ৰীতি তাত বহুতোখিনি ব্যাহত হয় যদিও, তাতো মুক্তক ৰূপৰ লহৰ উঠিব পাৰে।

॥ । । ॥ । । ।
যদি তোমাৰ । বুকু ভাঁহি ।

। । ॥ । ॥ । । ।
নুঠে হাঁহি । হঠাৎ আহি ।

। । ॥ । । ॥
মোৰে মুখৰ । ৰূপ ॥

। । । । । । । । । ।
ফুলৰ মুখত । নোলায় হাঁহি ।

। । । । । । । । ।
নাবাজে মোৰ । মৃদুল বাঁহী ।

। । ॥ । । । । ।
জগৎ জনৰ । হৃদয় কাঢ়ি

। । ॥ । ।
নুৰে প্ৰেমৰ । ধূপ ॥

—ৰত্নকান্ত বৰকাকতী

মুঠতে যৌগিক, মাত্ৰা বা স্বৰবৃত্ত সকলো ৰীতিতেই মুক্তক ছন্দসজ্জা ব্যৱহৃত হ'ব পাৰে। চৰণ সাম্য, পৰ্ব সাম্য, এইবোৰৰপৰাহে এই ছন্দই মুক্তি বিচাৰে, ছন্দস্পন্দ বা লয়ৰপৰা মুক্তিৰ কথা নাভাবে। চৰণান্তিক মিল বা পৰ্বান্তিক মিল থকা নথকাৰ লগত তাৰ কোনো সম্বন্ধ নাই। ৰবীন্দ্ৰনাথৰ বলাকাৰ সৰহভাগ কবিতাৰ ছন্দসজ্জা মুক্তক। ৰত্নকান্ত বৰকাকতীৰ তাজমহলো আংশিকভাৱে সমিল মুক্তক ঃ

পোৱা নাই দেখা হয় । সাক্ষাতে তোমাক*
চকুৰে এদিন
ধৰিছা কি শোভা দূৰ । অভ্ৰভেদী—।
দিগন্ত বিলীন
মাত্ৰ মই । বুজিছোঁ ইমানে।
তাজ তুমি ৰঙা তেজ।
বিৰহীৰ অন্তৰৰ। গোট মাৰি-শিলা হোৱা। মৰ্মভেদী ব্যাথা
লেখা নাই আখৰেৰে—
পাথৰেৰে ৰচি থোৱা
এটি নৱযুগমীয়া
বৃহৎ কবিতা।

মুক্তক ছন্দৰ মুক্তি হ'ল ছন্দৰ বন্ধনৰ মাজত মুক্তি। লয়ক অক্ষুণ্ণ ৰাখি সি মুক্তিৰ আস্বাদ বিচাৰে— হওক সি ছেদ-গত লয়। কিন্তু আন এক জাতিৰ কাব্য পৰীক্ষা সাহিত্যত প্ৰচলিত যি পৰ্যায়ক্ৰমে যতিয়ে দান কৰা লয়কো অস্বীকাৰ কৰিব খোজে। সি হ'ল কথাছন্দ। পৰৱৰ্তী অধ্যায়ত তাৰ কথা আলোচনা কৰা হ'ব। সি প্ৰস্ফুট ছন্দৰ ভিতৰত নপৰে। তাৰ ছন্দ অস্ফুট।